শ্ৰদ্ধাৱান্ লভতে জ্ঞানম্
ভোলানাথ মহাবিদ্যালয়

# ভোলানাথ মহাবিদ্যালয়ৰ

৬০ সংখ্যক বছৰেকীয়া আলোচনী

# প্ৰান্তজ্যোতি

২০২০-২০২১ আৰু ২০২১-২০২২ বৰ্ষৰ বৰ্দ্ধিত সংস্কৰণ



তত্বাৱধায়ক -
ড° পলী বেজবৰুৱা

সম্পাদকদ্বয় -
আব্দুল হানিফ খান, উবাইদুল্লাহ আহমেদ

**Ranoj Pegu**
**Minister**
Education, Tribal Affairs (P),
Indigenous and Tribal Faith & Culture (LM) Deptt

Dispur, Guwahati - 781006, Assam
Ph. No : +91 99547 03825 (M)
+91-361-2237023 (O)
E-mail : ranojpegu@gmail.com

# শুভেচ্ছাবাণী

মই জানিবলৈ পাই সুখী হৈছোঁ যে ধুবুৰী জিলাৰ অন্তৰ্গত উচ্চ শিক্ষাৰ এক অগ্ৰণী আৰু ঐতিহ্যমণ্ডিত শিক্ষানুষ্ঠান ভোলানাথ মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী 'প্ৰান্তজ্যোতি'ৰ ৬০তম সংখ্যাটি প্ৰকাশৰ দিহা কৰা হৈছে।

এই শিক্ষানুষ্ঠান খনে প্ৰতিষ্ঠা কালৰ পৰাই ইয়াৰ শিক্ষা আৰু জ্ঞানৰ পোহৰেৰে উজলাই তুলি ছাত্ৰ-ছাত্ৰী সকলক সময় উপযোগী আৰু গুণগত শিক্ষা প্ৰদান কৰি শত-সহস্ৰ মানৱ সম্পদ গঢ় দিয়াত এক গুৰুদায়িত্ব বহন কৰি অহাৰ লগতে বৃহত্তৰ ধুবুৰী জিলাৰ শৈক্ষিক, সাহিত্যিক আৰু সাংস্কৃতিক ক্ষেত্ৰখনত এক বিশেষ অৰিহনা আগবঢ়াই আহিছে। মই আশা কৰোঁ এই আলোচনী খনিয়ে ছাত্ৰ-ছাত্ৰী সকলৰ সুপ্ত প্ৰতিভা সমুহ বিকশিত কৰাৰ ক্ষেত্ৰত বিশেষ অৰিহণা যোগাব। মই সম্পাদনা সমিতিৰ সদস্য সকলক তেওঁলোকৰ এই প্ৰয়াসৰ বাবে ধন্যবাদ জ্ঞাপন কৰাৰ লগতে আলোচনী খনে পাঠকৰ সমাদৰ লাভ কৰিব বুলি আশা কৰি শিক্ষানুষ্ঠানখনৰ উজ্জ্বল ভৱিষ্যত কামনা কৰিলোঁ।

(ডাঃ ৰণোজ পেগু)

**Keshab Mahanta**

সত্যমেৱ জয়তে

ily Welfare,
nology and
nge Department,
Technology,
nt of Assam


## শুভেচ্ছা বাৰ্তা

উচ্চ শিক্ষাই এখন উজ্জীৱিত, জ্ঞানোদ্বীপ্ত, উৎপাদনক্ষম, সমৃদ্ধ, উন্নতিকামী, উদ্ভাৱনীমূলক আৰু কৌশল্যশীল ৰাষ্ট্ৰ নিৰ্মাণত মূল চালিকাশক্তিৰ ভূমিকা লয়। এনে শিক্ষাৰ জৰিয়তেই দেশে নিজা সমস্যাৰাজিৰ সমাধান বিচাৰি লোৱাৰ সামৰ্থ ও আহৰণ কৰে। উচ্চ শিক্ষাক গতিশীল আৰু ভৱিষ্যদৰ্শী কৰি তোলাত আমাৰ মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়সমূহে বিশেষ ভূমিকা গ্ৰহণ কৰি আহিছে। অসমৰ অন্যতম ঐতিহ্যমণ্ডিত উচ্চ-শিক্ষানুষ্ঠান ধুবুৰীৰ ভোলানাথ মহাবিদ্যালয়েও জন্মলগ্নৰে পৰা এই দিশত অৰিহণা যোগাই আহিছে। দেশৰ স্বাধীনতাৰ প্ৰাক-ক্ষণত অবিভক্ত গোৱালপাৰা জিলা তথা বৃহত্তৰ পশ্চিম অসমৰ ছাত্ৰ-ছাত্ৰীসকলৰ উচ্চ শিক্ষা গ্ৰহণত সুবিধা হোৱাকৈ ধুবুৰীৰ শিক্ষানুৰাগী, সমাজহিতৈষী, দূৰদৃষ্টিসম্পন্ন ব্যক্তিসকলৰ ঐকান্তিক প্ৰচেষ্টাত ১৯৪৬ চনত প্ৰতিষ্ঠা লাভ কৰা মহাবিদ্যালয়খনে বিগত ৭টা দশকৰো অধিককালজুৰি আমাৰ সমাজত শিক্ষাৰ প্ৰসাৰত অনন্য অৰিহণা যোগাই আহিছে। মহাবিদ্যালয়ৰ বাবে ভূমিদানৰ লগতে সেইদিনতে ১ লাখকৈ টকাৰ অৰিহণাৰে সামাজিক দায়বদ্ধতাৰ উজ্জ্বল নিদৰ্শন দাঙি ধৰা মেছপাৰাৰ জমিদাৰ ভোলানাথ চৌধুৰীদেৱৰ পৰিয়ালৰ বদান্যতাৰ লগতে সেইসময়ৰ অবিভক্ত গোৱালপাৰা জিলাৰ উপায়ুক্ত জহিৰুল হক এছকাৰ, ৰায়বাহাদুৰ বিএম দত্ত, ৰায়বাহাদুৰ অপূৰ্ব কুমাৰ ঘোষ, জি পি জামান, খান বাহাদুৰ আব্দুল মজিদ জিৱাছ সমেছ, আৰ কে বসু, মৌলৱী জাহানুদ্দিন আহমেদ, মুকুণ্ড নাৰায়ণ বৰুৱা, এছ কে বসু, প্ৰথমগৰাকী অধ্যক্ষ ড০ ফণীভূষণ ৰয়কে প্ৰমুখ্য কৰি ভোলানাথ মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাতাসকলৰ অপৰিসীম ত্যাগ আৰু অতুলনীয় সামাজিক দায়বদ্ধতাৰ বিষয়ে অৱগত হৈ অভিভূত হৈছো আৰু তেখেতসকলৰ প্ৰতি শ্ৰদ্ধা জনাইছো।

মই জানিবলৈ পাই সুখী হৈছো যে, ভোলানাথ মহাবিদ্যালয়ৰ ছাত্ৰ সমাজৰ মুখপত্ৰ 'প্ৰান্তজ্যোতি'য়ে ছাত্ৰ-ছাত্ৰীসকলক নিজৰ প্ৰতিভাৰ প্ৰকাশ আৰু বিকাশৰ বাবে এক উপযোগী মাধ্যম প্ৰদান কৰি বৌদ্ধিক আৰু মানসিক উত্তৰণত গুৰুত্বপূৰ্ণ অৰিহণা যোগাই আহিছে। আমি আশা কৰিছো, ছাত্ৰ একতা সভাৰ বাৰ্ষিক মুখপত্ৰখনিৰ এইবাৰৰ ষাঠিতম সংখ্যাটিয়েও মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলৰ সৃজনশীল প্ৰতিভাক অধিক জীপাল কৰি তোলাৰ সুন্দৰ সুযোগ প্ৰদান কৰিব।

এই আপাহতে প্ৰতিষ্ঠাকালৰে পৰা এতিয়ালৈকে সমাজলৈ সেৱা আগবঢ়োৱা ধুবুৰীৰ ভোলানাথ মহাবিদ্যালয়ৰ পৰিচালনা সমিতি, অধ্যক্ষকে ধৰি শিক্ষক-শিক্ষয়িত্ৰী তথা কৰ্মচাৰীসকল আৰু বৰ্তমান অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীসকলৰ লগতে প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকললৈ আন্তৰিক শলাগ যাঁচিছো।

সম্পাদনা সমিতিলৈ শুভেচ্ছাৰে

(কেশৱ মহন্ত)


Tel : 0361-2237007 (Fax) / 2237063 (O)/ +91 94350 60006, 99540 60006 (Mobile)

শুভে




ধুবুৰীৰ গৌৰৱ, পশ্চিম অসমৰ অন্যতম জ্ঞান সাধনাৰ থলী ঐতিহ্যমণ্ডিত ভোলানাথ হাবিদ্যালয়ে ইতিমধ্যে ৭৬ টা বছৰ অতিক্ৰমি ৭৭ বছৰত খোজ ৰাখিছে। এই সুদীৰ্ঘ পৰিক্ৰমাত এই হাবিদ্যালয়ে অনেক সুদক্ষ মানৱ সম্পদ গঢ়িবলৈ সক্ষম হৈছে। মহাবিদ্যালয়ৰ বৌদ্ধিক যাত্ৰাত জেউতি ৰায় বাৰ্ষিক আলোচনী প্ৰান্তজ্যোতিৰো ইতিমধ্যে ৫৯টা সংখ্যা প্ৰকাশহৈ ওলাইছে আৰু ৬০তম সংখ্যাটি ৰ্তমান প্ৰকাশৰ পথত। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী অধ্যাপক-অধ্যাপিকা তথা অতিথি লেখক লেখিকাৰ লখনিৰে এই সংখ্যাটি সমৃদ্ধ হ'ব বুলি জানিব পাৰিছো। আলোচনীখনে ছাত্ৰ-ছাত্ৰীৰ লগতে সকলো শ্ৰেণীৰ ঠিকৰে মন আকৰ্ষণ কৰিব বুলি আমি আশাবাদী।

আলোচনীখনৰ সম্পাদনাৰ লগত জড়িত প্ৰতিগৰাকী সদস্য তথা লেখক লেখিকালৈ আন্তৰিক ভেচ্ছা আৰু অভিনন্দন জ্ঞাপন কৰিছোঁ। প্ৰান্তজ্যোতিয়ে প্ৰান্তৰ সৌৰভ চৌদিশে বিয়পাই দিবলৈ সক্ষম ওঁক -

ড° ধ্ৰুৱ চক্ৰৱৰ্ত্তী
অধ্যক্ষ
ভোলানাথ মহাবিদ্যালয়, ধুবুৰী

# শুভেচ্ছাবাণী




ভোলানাথ মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী প্ৰান্তজ্যোতিৰ ৬০ তম সংখ্যাটিৰ প্ৰকাশৰ জড়িত সকলোলৈকে মোৰ শুভেচ্ছা জ্ঞাপন কৰিলো। মহাবিদ্যালয়ৰ শৈক্ষিক বাতাবৰণ তথা ছাত্ৰ- সৃষ্টিশীলতা সবল সতেজ কৰি ৰখাত মহাবিদ্যালয়ৰ আলোচনীখনে এক বিশেষ ভূমিকা পালন 'প্ৰান্তজ্যোতি'য়ে ভোলানাথ মহাবিদ্যালয়ৰ সৃষ্টিশীল প্ৰতিভাক সদায় উৎসাহিত কৰি আহিছে। সংখ্যাবোৰৰ দৰে এই বছৰৰ প্ৰান্তজ্যোতিয়েও ছাত্ৰ-ছাত্ৰীৰ মানসিক উৎকৰ্ষ সাধনৰ বাবে সাৰুৱা তৈয়াৰ কৰক।

আন্তৰিক অভিনন্দনসহ-

ৰীতা বৰা
উপাধ্যক্ষা
ভোলানাথ মহাবিদ্যালয়, ধুবু

# একাঁ


“পৰাণ নিগ



অসমীয়া জাতীয় জীৱনৰ অভিভাৱকস্বৰূপ মহীৰুহ,
বিশিষ্ট কথাশিল্পী, সাংবাদিক
হোমেন বৰগোহাঞি (১৯৩২-২০২১)



স্বৰস্বতী বঁটা প্ৰাপ্ত প্ৰসিদ্ধ অসমীয়া কথাশিল্পী,
শিক্ষাবিদ
লক্ষ্মীনন্দন বৰা (১৯৩২-২০২১)



সাহিত্য অকাডেমী বঁটা লাভ কৰা
অসমীয়া সাহিত্যৰ যশস্বী কবি
সনন্ত তাঁতী (১৯৫২-২০২১)



সংগীত নাটক একাডেমী বঁটা প্ৰাপক স্বনামধন্য সংগীতজ্ঞ
বাঁহী বাদক, লোকসংগীতৰ সাধক
প্ৰভাত শৰ্মা (১৯৩৫-২০২১)



বিশিষ্ট সমাজকৰ্মী, কথাশিল্পী তথা সাহিত্যিক পেঞ্চনাৰ
অনিমা গুহ (১৯৩২-২০২১)

যোৱা দুটা বছৰত অসমৰ জাতীয় জীৱনৰ পৰা হেৰাই যোৱা এইসকল বিশিষ্ট ব্যক্তিৰ লগতে ইয়াত নামোল্লেখ নোহোৱা স্বদেশ-স্বজাতিৰ হকে নিজৰ জীৱন উৎসৰ্গিত কৰা প্ৰতিগৰাকী মহান ব্যক্তিলৈ

**আমাৰ শ্ৰদ্ধাঞ্জলি**

নিবেদন কৰিলোঁ।

# এপাহি ৰঙা গোলাপ আৰু সন্ত্ৰাস

*ৰাইহানা ইছলাম*
স্নাতক পঞ্চম ষান্মাষিক
অসমীয়া বিভাগ

আবেলিৰ ৰক্তাক্ত বেলিটো মাৰ যাওঁ যাওঁ অৱস্থা। ইফালে বসন্ত কাল, আনপিনে কুলিয়ে বিনাইছে। পদূলিত ৰক্ত জবা আৰু শেৱালিৰ আমোল মোল গোন্ধ চৌদিশে বিয়পিছে। পাঁচবজাত টিউচন, আজি দেউতাই থ'বলৈ নাযায়, কেইদিন ধৰি অকলে গৈ আছোঁ। যদিও দেউতাৰ গা বেয়া তথাপি থৈ আহিব বিচাৰিছিল কিন্তু নালাগে বুলি কৈ অকলে গুচি গলোঁ।

আলাসৰ লাডু, আইতাকৰ চকুৰ মণি।

সন্ধিয়া চাহ একাপ খাই চাইকেলেৰে ওলাই গলোঁ বাটত কেইবাগৰাকী ভগু মানুহক দেখি গা শিয়ৰি উঠিল। বেগেৰে পেডেল মাৰি টিউচনত উপস্থিত হলোঁ। অংকৰ শিক্ষকে ধুনীয়াকৈ বুজোৱা অংকবিলাকো আয়ত্ব কৰিলোঁ। ছুটিৰ অলপপৰ আগত শিক্ষকে বহীখিনি চাই থাকোঁতে ৰবি ককাই ডুবিবৰ হ'ল। এতিয়া ৰাতি হৈ গ'ল, এনেয়ে বিলৰ কাষৰ ৰাস্তা তাঁতে টৰ্চটোও আনিবলৈ পাহৰিলোঁ। নানা ধৰণৰ কু-চিন্তাই মগজুত বাহৰ পাতিলে। এখোজ-দুখোজকৈ আগবাঢ়ি গ'ল। সৌ কৃষ্ণচূড়াৰ তলৰ দোকানটোত কৃষক কেইজনমানে বিড়ি ফুকি ফুকি অতীতৰ গল্প জুৰিছে। কি যে মগ্ন হৈ আছিল গল্পত। দোকানটোত আমোদজনক পৰিবেশৰ সৃষ্টি কৰিছে। দোকানটোত গৈ দুটা লাডু দহ টকাত কিনিলোঁ, শুনিবলৈ পোৱা যায় দোকানীৰ ঘৈণীয়েকজনীয়ে ধুনীয়া লাডু বনায়। দোকানৰ দলৰ পৰা এগৰাকী খুড়াই পটককৈ সুধি দিলে—

"মইনা তুমি শৰ্মাৰ ছোৱালী নহয় জানোঁ?"

ময়ূৰী ঃ অ' খুড়া হয়। মোৰ নাম ময়ূৰী শৰ্মা।

খদন খুড়া ঃ বাহঃ ইমান ডাঙৰ হৈছোঁ, কোন শ্ৰেণী পালা?

ময়ূৰী ঃ মই এইবাৰ দশম শ্ৰেণীত পঢ়ি আছোঁ।

ৰাজু (আন এগৰাকী খুড়া) ঃ তোমাৰ পঢ়াশুনা চাগে ভালে হ'ব। তোমাৰ দেউতা আৰু আমি একেলগে পঢ়া। এতিয়া চোৱা আমি খেতিয়ক হৈয়ে আছোঁ। সময়ত ভালকৈ পঢ়া-শুনা কৰা নাই যে সেইকাৰণে আজি এনেকুৱা।

খদন খুড়া ঃ পিছে তোমাৰ আইতা কেনেকুৱা আছে?

ময়ূৰী ঃ অ' আইতাৰ দেহা বিশেষ ভাল নহয়। তথাপি আছে ভালে আপোনালোকৰ কথপকথোন আগুৱাই নিয়ক, মই আহিছোঁ। ৰাতি হ'বৰ হ'ল, মায়ে ঘৰত চিন্তা কৰি আছে চাগে।

খদন খুড়া ঃ অ' মইনা যোৱা.... যোৱা.... অলপ চাই মেলি যাবা আজি কালিৰ মানুহ ইমান ভাল নহয়।

ময়ূৰী ঃ ঠিক আছে, নমস্কাৰ।

বাকী থকা বাটৰ সংগী হ'ল জোনাকী পৰুৱা। ধুনীয়াকৈ উজলাই তোলা বাটটোত পখিলা খেদা দি আহি ঘৰ পালেহি। মায়ে পদূলি মুখত চাকিটো হাতত লৈ মোলৈ অপেক্ষা কৰি আছিল। ঘৰলৈ আহি হাত ভৰি ধুই চাহ জলপান খাই পঢ়াৰ টেবুলত বহিলোঁ। পঢ়া শেষ হোৱাৰ লগে লগে মায়ে পাক ঘৰৰ পৰা মাত লগালে।

মাঃ ময়ূৰী.... অ' ময়ূৰী.... দেউতা আৰু আইতাক লৈ আহা ভাত খাবলৈ।

ময়ূৰী ঃ দেউতা, অ' দেউতা, কি হ'লনো এতিয়াও শুই আছা ব'লা, মায়ে মাতিছে; ভাত খাওগৈ। আইতা আহা তুমিও।

মা ঃ চৰিয়াটো আগুৱাই দি হাত ধুই লওক।

দেউতা ঃ এনেই অন্ধকাৰ পৰিবেশ, তোমাৰ পলম হ'ল কিয়?

ময়ূৰী ঃ অন্ধকাৰ পৰিবেশ, তোমাৰ বন্ধুক লগ পালোঁ। কৃষ্ণচূড়াৰ তলত চাহ দোকানটোত। কথা পাতিলে, তোমাৰ কথা আৰু আইতাৰ কথাও সুধিলে।

দেউতা ঃ অ হয় নেকি কোন আছিল?

ময়ূৰী ঃ খদন খুড়া, ৰাজু খুড়া আৰু কেইজনমান আছিল।

মা ঃ বাৰু ভাল কথা, এতিয়া ধুনীয়াকৈ খাই বৈ আইতাৰ লগত শুই যাবি।

ময়ূৰী ঃ হ'ব মা।

পিছদিনা ৰাতিপুৱা টিউচন পঢ়িহে স্কুললৈ ওলাই যাব লাগে আঠ বজাত খাই বৈ চাইকেল লৈ ওলাই গলোঁ।

বান্ধৱী কেইগৰাকীৰ লগত মনৰ কথা পাতিলোঁ। টিফিনত দুলাল মণিৰ দোকানৰ পৰা তেতেলী কিনি আঁহত জোপাৰ তলত বহি জুতি লগাই খালোঁ। পুব দিশৰ পৰা ভাহি অহা মলয়াজাকে আৰু বান্ধৱীৰ লগত বাৰ্তালাপ কৰি স্বৰ্গীয় সুখ অনুভৱ কৰিলোঁ। বেল পৰিলত শ্ৰেণীত গৈ পাঠদানৰ পিছত ছুটি হ'ল। চাইকেল লৈ উভতাৰ সময়ত দেখিলোঁ যে কালিৰ ভণ্ড মানুহকেইজন মোৰ পিছে পিছে আহি আছে। জীৱন-মৰণ চিন্তা নকৰি বেগেৰে চাইকেল চলাই কোনোমতে ঘৰ পালোহি। ঘৰলৈ আহি মাকক কথাবোৰ ভাঙি ক'বলৈ সাহস নহ'ল। ঠিক সন্ধিয়া টিউচনৰ সময় হ'ল, বহুত ভয়ো লাগি আছে। কি কৰোঁ কি নকৰো যেন লাগিছে। টিউচনলৈ ওলাই গলো। যাবৰ সময়ত অসুৰ কেইটাক দেখা নাপাই অন্তৰটো শীতল হ'ল। আকৌ ছুটিৰ সময় আহি গ'ল। গভীৰ ভয়ে অন্তৰত নিগাজীকৈ ঠাই বনাই ললে। যিহেতু, আজি টিউচনত পৰীক্ষা আছিল নাহিলেও উপায় নাই। ছুটি হ'লত আপোন মনে গান গাই চাইকেলেৰে উভতি আহি থাকোঁতে হঠাৎ আহি চাইকেলেৰে আগফাল-পিছফালে ছয়জন মানুহে মোক ঘেৰি দি ধৰিলে, দূৰ কৰবাত খদন খুড়াৰ হাঁহি মোৰ কাণত গুঞ্জৰিলে। লগে লগে চিঞৰি চিঞৰি মাত লগালোঁ।

খুড়া.... খদন খুড়া.... মই ময়ূৰী শৰ্মা, মোক এওঁলোকে বৰ বেয়াকৈ বেৰি ধৰিছে। মোক লৈ যাওক।

খদন খুড়া ঃ কোন হয়....? কোন হয়, ৰ'বা মইনা আমি গৈ আছোঁ।

খদন খুড়াৰ তৰ্জন-গৰ্জন শুনি ইহঁত বিলৰ কাযেদি পথাৰৰ মাজত দৌৰি সোমালগৈ।

আহি দেখিলে কোনেও নাই। মোক আগুৱাই দি তেওঁলোক ঘৰমুৱা হ'ল।

ঘৰলৈ আহিও মোৰ মূৰৰ পৰা ইহঁতৰ ভয়... আৰু হৈ যোৱা পৰিস্থিতি পাহৰিব পৰা নাই। ভয়ত... মাক বা দেউতাকক ক'বলৈ সাহস নহ'ল। টোপনিয়ে... পাৰ হৈ গ'ল।

পিছদিনা স্কুলৰ পৰা আহি যেতিয়া আকৌ... সময় হ'ল মাক ক'লো যে মা আজি দেহাটো বেয়া... আজি টিউচনলৈ নাযাওঁ। কথাটো শেষ নহওঁতেই দেউতা... লগালে, "কিয় আজি পৰীক্ষা আছে নহয় তোমাৰ বাবে...

ময়ূৰী ঃ মা, মই নাযাওঁ, আজি মোৰ যাবলৈ ...

মা ঃ একো নাই মইনা, যোৱা নহ'লে দে... কৰিব।

ময়ূৰী ঃ কৈ আছোঁ যে আজি নাযাওঁ কিয় ... কৈ পঠাই আছা, আজি যদি যাওঁ আৰু উভতি নাহি...

মা ঃ এনেকৈ ক'ব নাপায়.....!

চাইকেলখন লৈ বেগেৰে ওলাই গ'লো ওখোৰা... বাট, চৰাই চিৰিকটিও নিজ গৃহলৈ বুলি উৰা মাৰি... পদুমজাকো বগাকৈ সজাই তুলিছে প্ৰকৃতিৰ মনোমোহা... উপভোগ কৰি টিউচনত উপস্থিতি হ'লো। আজিৰ পৰী... ভিতৰত ২৪ পাই মনটো আপ্লুত হৈ গ'ল। বাটৰ বস্তু... এন্ধাৰে ঢাকি ধৰিছে। জোনাকী পৰুৱাৰ লগত কথা... জোনাকী পৰুৱাৰ লগত কথা পাতি উভতি থাকোঁতে... পৰা আহি কোনোবা এজন আহি মোৰ চকু মুখত... এটাৰে ঢাকি মোক পিছ ৰাস্তাত দলিয়াই পেলালে। ... ছয়জন অসুৰে মোৰ কাপোৰ টানি ছিঙি উলংগ কৰি... নিচিনাকৈ কামুৰি কামুৰি খেৰৰ তলত ঢাকি থ'লে...

ইফালে ঘৰত.....

মা ঃ ময়ূৰীৰ দেউতা, আজি প্ৰায় আঠ বজি... আমাৰ ময়ূৰী এতিয়াও টিউচনৰ পৰা অহা নাই মোৰ ... হৈ আছে। এতিয়াও কিয় অহা নাই।

দেউতা ঃ ৰ'বা মই অলপ চাই আহো, তুমি চিন্তা...

গোটেই ৰাস্তা, টিউচন আনকি ময়ূৰীৰ বান্ধৱী... গৈয়ো সুধিলে তাৰ একো খবৰ নাপালে।

ময়ুৰীৰ মাক আৰু আইতাকে কান্দি কান্দি অস্থিৰ... কৰি পেলাইছে।

মাঃ অ' ময়ূৰীৰ দেউতাক মোৰ ছোৱালীক আনি দিয়া। ৰাতি ১০টা পাৰ হ'ল, আপুনি কিয় তবধ লাগি আছে? ব'লা ওচৰৰ থানাটোত যাওঁ।

দেউতা ঃ মোৰ ছোৱালী ক'ত গ'ল, হে হৰি মোৰ একমাত্ৰ ছোৱালী তুমি আনি দিয়া (কৈ কৈ কান্দি থাকিল)

মা ঃ ব'লা থানালৈ যাওঁ।

আইতা ঃ মোৰ কলিজা, মোৰ পখিলী, মোৰ মৰমৰ ক'ত গলি। হে হৰি, আমাৰ একমাত্ৰ বুকুৰ কুটুম তুমি আনি দিয়া।


মা ঃ মোৰেই ভুল, তাইক টিউচন যাবলৈ দিব নালাগিছিল। কিয় পঠিয়ালো? হে হৰি... কিয় পঠিয়ালে...? হে...হৰি...।

দেউতা ঃ মই পুলিচক কৈ আহিছোঁ। কেইগৰাকীমানে বিচৰাত লাগি গৈছে।

ওৰেটো ৰাতি কান্দোনত আউলি বাউলি হৈ থাকিল। ঘৰখনত এন্ধাৰমুখী পৰিবেশৰ সৃষ্টি হ'ল। কাহিলী পুৱাতেই উঠি তাইৰ মা আৰু দেউতা যেতিয়া টিউচনৰ বাটৰ ফালে ময়ূৰীক বিচাৰিবলৈ গ'ল। এয়া কি, তাইৰ মৃতদেহটো বিলৰ কাষৰে খেৰৰ পঁজাৰ পৰা উলিয়াই আনি ওচৰতে কুকুৰ দুটাই তাইৰ হাড়কেউডাল চোবাই আছিল। এই দৃশ্য দেখি ময়ূৰীৰ মাৰ দুচকু জাপ খাই গ'ল! দেউতাৰ মুখৰ মাত নোহোৱা হ'ল।

ঘৰৰ গোলাপ ফুলৰ কলিটিক কিছুমান বিষাক্ত পতংগই ধ্বংস কৰি পেলালে..... বিষাক্ত পতংগই ধ্বংস কৰি পেলালে।

*******



# দেৱব্ৰত দাসৰ ‘ধূসৰতাৰ কাব্য’

স্মৃতি
স্নাতকোত্তৰ চতুৰ্থ
অসমীয়া

অসমীয়া সাহিত্য জগতৰ এগৰাকী বিশিষ্ট ঔপন্যাসিক হৈছে দেৱব্ৰত দাস। দেৱব্ৰত দাসে ৰচনা কৰা ‘ধূসৰতাৰ কাব্য’ উপন্যাসখন ২০০৫ চনত প্ৰকাশ পাইছিল। ‘ধূসৰতাৰ কাব্য’ উপন্যাসখনৰ কাহিনী ভাগ উপস্থাপনৰ কোনো পৰিকল্পনা নাছিল বুলি ঔপন্যাসিক দেৱব্ৰত দাসে নিজেই ব্যক্ত কৰিছিল।

দেৱব্ৰত দাসৰ ‘ধূসৰতাৰ কাব্য’ উপন্যাসখন উত্তৰাধুনিক উপন্যাস হিচাপে উপন্যাসখনত মূলতে অনিশ্চয়তা, নিঃসংগতা আদি প্ৰকাশ পোৱা দেখা যায়। উপন্যাসখনৰ নায়িকা মন্দিৰা দুটি সন্তানৰ মাক হৈও নিজ পৰিয়ালক এৰি নিৰুদ্দেশ হৈছিল। মন্দিৰা নিৰুদ্দেশ হোৱাৰ আগত উকা কাগজৰ পাত এখিলাত দুটি বাক্য লিখি থৈ যোৱা দেখা যায়; এই দুটি বাক্য লিখিছিল এনেদৰে- “মই মোক বিচাৰি যাবলৈ ঠিক কৰিছোঁ। আনে মোক নিবিচৰাই ভাল।” (পৃঃ ৯)

এনেদৰে নায়িকা মন্দিৰাই নায়ক শেখৰক একো নোকোৱাকৈ অন্তৰ্ধান হোৱাত উপন্যাসখনত অস্পষ্টতা বা ধূসৰতাৰ স্পষ্টতা ফুটি উঠা দেখা যায়।

এনেতে উপন্যাসখনৰ নায়ক শেখৰে নায়িকা মন্দিৰাক অৰ্থাৎ নিজ পত্নীক বিচাৰি যাওঁতে বাটতে সমগ্ৰ উত্তৰ পূৰ্বাঞ্চলৰ যি জলন্ত সমস্যা, দুৰ্বিক্ষ, মন্ত্ৰীৰ দুৰ্নীতি, মাটিহীনৰ আন্দোলন, নাৰীক কৰা প্ৰতাৰণা আৰু লগ পোৱা প্ৰতি গৰাকী ব্যক্তি অৰ্ন্তদণ্ড আদিৰ মুখা-মুখি হ’ব লগা হৈছিল তাৰে বাস্তৱ সমাজৰ প্ৰতিচ্ছবি ঔপন্যাস গৰাকীয়ে উপন্যাসখনিৰ মাজেৰে উদ্‌ঙাই দেখুৱাবলৈ সক্ষম হৈছে বুলি ক’ব পাৰোঁ এনেদৰে—

“দেশৰ অৱস্থা, ইলেকচনৰ ৰাজনীতি, এম. এল. এ. মন্ত্ৰীৰ দুৰ্নীতি, বানপানী, গাঁৱৰ ৰাইজৰ দুৰৱস্থা, মাটিহীনৰ আন্দোলন।” (পৃঃ ২২৩)

উপন্যাসখনত পুৰুষতন্ত্ৰ সমাজৰ আভাস পোৱা যায় চানী চৰিত্ৰটিৰ মাজেৰে। চানী অৰ্থাৎ সিদ্ধাৰ্থ নামৰ গাওঁৰ পৰা গাভৰু ছোৱালী এজনী অৰ্থাৎ আৰতীক আনি চহৰত কাম দিব বুলি কাম দিয়া নাছিল তাৰ বাবদ জনীক অচিনা ঠাইত চানীৰ সম্বন্ধীয় শেখৰৰ ঘৰত দিছিল কাকো একো নোজোনোৱাকৈ আৰু নিজেও হৈছিল।

শেষত মন্দিৰা ঘৰলৈ উভতি আহিছিল যদিও বুজিব নোৱাৰিলে যে কি কাৰণত মন্দিৰা নিৰুদ্দেশ আনহাতে উপন্যাসখনত কাল্পনিক আশ্ৰম এখনৰ সৃষ্টি দেখা যায়। যাৰ জৰিয়তে আশ্ৰমত থকা ভকত আৰু নাৰী সকলৰ মনৰ কথাও জানিব পাৰি অৰ্থাৎ যি জলন্ত ভূগিব লগা হয় . য়া উপন্যাসখনত বাস্তৱ চিত্ৰ প্ৰতি হোৱা দেখা যায়।

উপন্যাসখনৰ ভাষা ৰীতি সাৱলীল আৰু পো আৰু আংগিকৰ ফালৰ পৰাও উচ্চমান বিশিষ্ট। উপন উপস্থাপন ৰীতি, মানুহৰ গতিশীল জীৱন, চৰিত্ৰ মনস্তাত্ত্বিক দিশ, উপন্যাসৰ কাহিনী অবাস্তৱ হৈও প্ৰকাশভংগৰ বৈচিত্ৰময়তাৰ ছবি অংকন কৰিবলৈ ঔপ সক্ষম হৈছে। উপন্যাসখনৰ আৰম্ভনী দবা খেলৰ মাজে সামৰণী নাটকীয় ধৰণে দেখা পোৱা যায়।

ঔপন্যাসিক দেৱব্ৰত দাসে উত্তৰাধুনিকতাবাদী ‘ধূসৰতাৰ কাব্য’ নামৰ উপন্যাসত উত্তৰাধুনিক যুগৰ সম পটভূমিত ব্যক্তিৰ সমস্যাসমূহৰ সুন্দৰ ৰূপত দাঙি ঔপন্যাসিক দেৱব্ৰত দাসে আশীৰ দশকৰ অসমীয়া সমাজ চিত্ৰ অতি কৃতকাৰ্যতাৰে সাহিত্যৰ ৰূপ দিবলৈ সক্ষম হৈ ক’ব পাৰোঁ।

———

## জকমকী জোন

*ৰোশনা বানু*
স্নাতকোত্তৰ দ্বিতীয় যান্মাষিক
অসমীয়া বিভাগ

ৰাতি আকাশত জোনাকে চকু মেলি
মোৰ স্মৃতি লৈ প্ৰশ্ন কৰে.....।
নৱজাত কেঁচুৱাই খিলখিলাই হঁহাৰ দৰে
জোনাকেও হাঁহি উঠে.....।
কিন্তু এই অসহ্য বিছতীৰ সুৰ
আহে কি যে বিৰক্তিকৰ .....।
ৰাতি আকাশত জোনক জিমিকেই
হৃদয়ৰ অন্ধকাৰ সাবটি লয়....।
মৰুময় শিলা হৃদয়ৰ শব্দ নামে
অশ্ৰু নিজৰী কেচা তেজ....।
হাজাৰ বিননী বুকুত বান্ধি ধুমুহা বই
হৃদয় শীতল নিৰ্থক ভাৱনা।

******



# প্ৰেম নামৰ অভিশাপত

*খালেদা আমিন*
স্নাতক দ্বিতীয় ষান্মাষিক
অসমীয়া বিভাগ

প্ৰেম নামৰ অভিশাপত
ফুল কুমলীয়া শিশু হৈ আছে ধৰ্ষণ।
প্ৰেম নামৰ অভিশাপত
মনৰ জোখাৰে মন নপোৱা সংসাৰ চলি আছে অগণন।
প্ৰেম নামৰ অভিশাপত,
জীয়াই থকাৰ হাবিয়াস হেৰুৱাই
অস্থিৰতাত আপোন পাহৰি,
বিচাৰি পাইছে আত্মহত্যাৰ চিপজৰীৰে আগুৰি থকা পথ
প্ৰেম নামৰ অভিশাপত,
চৰিত্ৰহীন জীৱন পাৰ কৰি আছে বহুতেই।
প্ৰেম নামৰ অভিশাপত
যন্ত্ৰনাত দগ্ধ হৈ মৃত্যুৰ সতে লৰি আছে বহুতেই।
প্ৰেম নামৰ অভিশাপত
চকুৰ পানী নিজৰাৰে বৈ গৈ
সাগৰ পাইছেহি
তথাপি বন্ধ হোৱা নাই।
আপোনজনক বিতাকিত কৰা
মানৱৰূপী দানৱৰ অত্যাচাৰ উৎপীড়নে
মানৱতাৰ শ্লোগান পাহৰি
উলিয়াই আছে সহস্ৰজনৰ চকুলো।



******

## জীৱনৰ গতি

*আৰজুমা খাতুন*
স্নাতক দ্বিতীয় ষান্মাষিক
অসমীয়া বিভাগ

জীৱনৰ গতিত মই স্তব্ধ
হৈ পৰিছোঁ নাজানো
এই জীৱন গতিত
কিমান বাধা-বিঘিনি পাম
তথাপি জীৱন যুদ্ধ কৰি
থাকিমেই এদিন নহ'লে
এদিন সাফল্যৰ বাটত
আহিমেই জীৱন নামৰ
গতিত যিমানেই দুখ-কষ্ট
নহওক কিয় মই আগুৱাই
যামেই এদিন নহয় এদিন
সফল হমেই জীৱন গতিত
জীৱন নামৰ যাত্ৰাটো
সঁচাকে এটি যন্ত্ৰণা।

******





## মোৰ মৰমৰ আই

*ছৈয়দা খালিদা বেগম*
স্নাতক প্ৰথম ষান্মাষিক
ইতিহাস বিভাগ

মা, তুমি আছিলা মোৰ ছাঁ জীৱনৰ দাপোন,
তুমিয়েই মোৰ আছিলা সবাতকৈ আপোন।
বিষাদ ডাৱৰে ঢাকে জীৱনৰ আকাশ,
তুমিয়েই আছিলা মোৰ সুখৰ প্ৰকাশ।
তোমাৰ বাবেই দেখিছোঁ এই জগতখন
মৰমেৰে ৰাখিছিলা তুমি আৱৰি তন-মন।
হে মোৰ জীৱনৰ লক্ষ্য স্বৰূপিনী,
হে মোৰ জীৱনৰ প্ৰেৰণাদায়িনী।
ভাগৰুৱা হৈ জীৱন পথত,
আশ্ৰয় লৈছিলো, আহি তোমাৰ কাষত।
তুমি মোক অকলশৰীয়া কৰি
এৰি থৈ গ'লা কত
তোমাৰ প্ৰতি অবিচল ভক্তি থাকি যাব
সদায় মোৰ হৃদয়ত
******

## স্তব্ধ ভৰলু

*মৃগেন দাস*
স্নাতক ষষ্ঠ ষান্মাষিক
অসমীয়া বিভাগ

বৈ গল তাই আজি
কালৰ বুকুত
যৌৱনময়ী বোৱতী নৈখন।
শাওনৰ কোৱাল সোঁতত
নাই তাৰ আজি চঞ্চলতা
প্ৰতিটো পল-অনুপল
আজি যেন তাই স্তব্ধ
যদি তুমি
ভৰলু,
আকৌ জী উঠিব বিচৰা
মই ব্ৰহ্মপুত্ৰ হৈ
জীপাল কৰি তুলিম
তোমাৰ চঞ্চলতাক
কোনোৱা শাওন মাহত।

******



## বৰষুণ

*ভনিতা দাস*
স্নাতক ষষ্ঠ ষান্মাষিক
অসমীয়া বিভাগ

এটোপ-দুটোপকৈ নামিছে ধৰালৈ
বৰষুণৰ টোপালবোৰ
গছ-বিৰিখৰ লগতে আমাৰ
মনবোৰক সজীৱ কৰিবলৈ
বৰষুণৰ টোপালে, তিতাই
দিয়া দেহটোত প্ৰাণ
পাই উঠিছে পুৰণি স্মৃতিবোৰ
নূপুৰ সদৃশ শব্দ গুঞ্জিছে
আজি মোৰ কাণত
তোমাৰ নামৰ
আকৌ মেঘ আঁতৰিব
ফৰকাল হ'ব
আকাশী গগণত
তোমাৰ নামৰ
জোনটিও দেখা দিব।

******